অসম

ডিব্রুগড়ৰ শ্রীশ্রী কলি আই থানৰ উন্নয়নৰ বাবে ২৫ লাখৰ অনুদান পর্যটন নিগমৰ অধ্যক্ষ ঋতুপর্ণ বৰুৱাৰ

প্রকাশ: ২৪ নৱেম্বৰ ২০২৬, নিশা ৭:২৫



(Ainul Ahmed)

ডিব্রুগড়ৰ পশ্চিম প্রান্তত অৱস্থিত ঐতিহাসিক শ্রীশ্রী কলি আই থানৰ আন্তঃগাঁথনি উন্নয়নৰ দিশত আন এক পদক্ষেপ। ভক্ত আৰু পর্যটকৰ সুবিধার্থে প্রাকৃতিক পৰিৱেশৰ মাজত অৱস্থিত থানখনত নির্মাণ কৰা হ'ব অতিথিগৃহ। অসম পর্যটন উন্নয়ন নিগমৰ ২৫ লাখ টকাৰ আর্থিক অনুদানেৰে নির্মাণ হ'বলগীয়া অতিথিগৃহটোৰ আধাৰশিলা স্থাপন কৰে নিগমৰ অধ্যক্ষ ঋতুপর্ণ বৰুৱাই। ডিব্রুগড়ৰ ঐতিহাসিক শ্রীশ্রী কলি আই থানত অতিথিগৃহ নির্মাণৰ আধাৰশিলা স্থাপন কার্যসূচীত অসম পর্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপর্ণ বৰুৱাৰ বিশেষ উদ্যোগত নিগমৰ তৰফৰ পৰা আগবঢ়োৱা ২৫ লাখ টকাৰ অনুদানেৰে নির্মাণ কৰা হ'ব অতিথিগৃহটো। প্রতিবছৰে অসম তথা দেশৰ বিভিন্ন প্রান্তৰ পৰা হাজাৰ হাজাৰ ভক্তৰ সমাগম ঘটে থানখনত। বিশেষকৈ জানুৱাৰী মাহত লাখ লাখ ভক্তৰ আগমনৰ সময়ত থকা-খোৱাৰ ক্ষেত্রত অসুবিধাৰ সন্মুখীন হয় ভক্তসকল। অতিথিগৃহটো নির্মাণ সম্পূর্ণ হ'লে ভক্ত আৰু পর্যটকসকল যথেষ্ট উপকৃত হ'ব বুলি আশা প্রকাশ কৰা হৈছে। কেৱল ধর্মীয় পৰম্পৰাই নহয়, লোক-সংস্কৃতিৰ সংৰক্ষণৰ ক্ষেত্রতো বিশেষ ভূমিকা পালন কৰি আহিছে থান পৰিচালনা সমিতিয়ে। থান প্রাংগণত নিয়মীয়াকৈ আইনাম আৰু দিহানামৰ চর্চা অব্যাহত ৰখাৰ লগতে ঐতিহ্য সংৰক্ষণৰ বাবেও গ্রহণ কৰা হৈছে বিভিন্ন পদক্ষেপ।আধাৰশিলা স্থাপন অনুষ্ঠানত অসম পর্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপর্ণ বৰুৱা, বিধায়ক প্রশান্ত ফুকন, বিধায়ক চক্রধৰ গগৈ, থান পৰিচালনা সমিতিৰ সভাপতি ভীমকান্ত সন্দিকৈ, কার্যকৰী সভাপতি সোণাৰাম গগৈকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6006/dibrugoror-srisri-koli-ai-thanor-unnoyonor-babe-25-lakhor-anudan-poryoton-nigomo